**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। ৰাজ্যৰ উন্নয়নৰ সৈতে জড়িত ভালেমান পদক্ষেপ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ।

২। সশস্ত্ৰ বাহিনীৰ বীৰত্বক উদযাপনৰ উদ্দেশ্যে ৰাজ্যত আজি বিজেপিৰ ত্ৰিৰংগ যাত্ৰা আৰম্ভ।

৩। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ নামভৰ্তিৰ বাবে আজিৰ পৰা দৰ্পন অনলাইন নামভৰ্তি পোৰ্টেল মুকলি।

৪। ডিমা হাচাওত যোৱা ২৯ এপ্ৰিলত হোৱা সংঘৰ্ষত এন এছ চি এন আই এমৰ সদস্যৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত জিলা প্ৰশাসনৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ।

*আৰু*

৫। ১৯ বছৰ অনুৰ্ধৰ চাফ ফুটবল চেম্পিয়নশ্বিপৰ গ্ৰুপ বিত শীৰ্ষ স্থান দখলেৰে ভাৰতৰ ছেমি ফাইনেলত প্ৰৱেশ।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰি ৰাজ্যৰ উন্নয়নৰ সৈতে জড়িত ভালেমান পদক্ষেপ সম্পৰ্কে আলোচনা কৰে। বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে অনুষ্ঠিত এই বৈঠকত ডিব্ৰুগড়ত স্থাপন হ'বলগীয়া ৰাজধানী পৰিষৰৰ কামকাজৰ মুখ্যমন্ত্ৰীয়ে বুজ লয়। তেওঁ লগতে সৰুসজাইত সেৱা ভিত্তিক প্ৰতিষ্ঠানৰ বাবে বিশেষ উন্নয়ন ক্ষেত্ৰ স্থাপন সন্দৰ্ভতো বিষয়াসকলৰ সৈতে আলোচনা কৰে। এই বৈঠকতে দ্বাৰকাত নিৰ্মিয়মান অসম ভৱনৰ কামকাজৰো তেওঁ বুজ লয়। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে অসমৰ ষ্টাৰ্টআপৰ পৰিৱেশ আৰু ইয়াৰ উন্নয়নৰ পৰ্যালোচনা কৰে।

০০০০০০

অপাৰেচন সিন্দূৰৰ সফলতাৰ পাছত সশস্ত্ৰ বাহিনীৰ বীৰত্বক উদযাপনৰ উদ্দেশ্যে ৰাষ্ট্ৰজুৰি ১১ দিনীয়া **শৌৰ্য সন্মান যাত্ৰা** শীৰ্ষক ত্ৰিৰংগ যাত্ৰাৰ আয়োজন কৰা হৈছে। অসমৰ ভিন ভিন ঠাইত কালি ছাত্ৰ-ছাত্ৰীকে ধৰি বিভিন্ন শ্ৰেণীৰ ৰাইজে স্বতঃস্ফূৰ্তভাৱে শোভাযাত্ৰা উলিয়ায়। অসম প্ৰদেশ বিজেপিয়ে আজি বিয়লি আদাবাৰীৰ অটল উদ্যানৰ পৰা কামাখ্যা মন্দিৰৰ নামনিলৈ ত্ৰিৰংগ যাত্ৰা আৰম্ভ কৰিব। বিজেপিৰ নেতা-কৰ্মীৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই যাত্ৰাৰ শুভাৰম্ভ কৰিব। ৰাজ্যখনত কাইলৈ আৰু পৰহিলৈ জিলা পৰ্যায়ত আৰু ১৮ মে'ত বুথ পৰ্যায়ত ত্ৰিৰংগ যাত্ৰা আৰম্ভ হ'ব।

০০০০০০

জম্মু-কাশ্মীৰ সম্পৰ্কীয় যিকোনো বিষয়ত ভাৰত আৰু পাকিস্তানে দ্বিপাক্ষিক আলোচনা কৰিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে প্ৰকাশ কৰিছে। কালি এখন সংবাদমেলত মুখপাত্ৰগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই ক্ষেত্ৰত ভাৰতৰ নীতি অপৰিৱৰ্তিত হৈ আছে।

*(বাইট ঃ ৰনধীৰ জয়ছোৱাল)*

সিন্ধু জলচুক্তিখন স্থগিত ৰখা হৈছে বুলিও মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতে সদিচ্ছা আৰু মৈত্ৰীৰ চিনস্বৰূপে এই চুক্তি কৰিছিল যদিও কেইবা দশকজুৰি দেশখনে সীমান্তৰ সিপাৰৰ পৰা চলাই থকা সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে এই চুক্তি স্থগিত ৰাখিবলৈ ভাৰত বাধ্য হৈছে। তেওঁ কয়, যে পাকিস্তানী পক্ষই দিয়া বিবৃতি সমূহেৰে দেশখনে নিজক আঁভুৱা ভাবিছে। বৃহৎসংখ্যক উগ্ৰপন্থীক প্ৰশ্ৰয় দিয়া এখন দেশে ইয়াৰ পৰিণাম ভুগিব লগাটো নিশ্চিত বুলিও তেওঁ উল্লেখ কৰে। ভাৰতে দেশখনত থকা সন্ত্ৰাসবাদী ঘাটিসমূহ ধ্বংস কৰি কেৱল ভাৰতীয় লোককে নহয়, বিশ্বৰ বিভিন্ন প্ৰান্তৰ নিৰ্দোষী লোকৰ জীৱন ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

পাকিস্তানৰ বিৰুদ্ধে আক্ৰমণৰ ফলত ছহিদ হোৱা মণিপুৰৰ দীপক চিমনগাখাম নামৰ জোৱানজনৰ শেষ কৃত্য কালি সামৰিক মৰ্যাদাৰে ইম্ফলত সম্পন্ন কৰা হয়। ইম্ফললৈ জোৱানগৰাকীৰ নশ্বৰ দেহ অনাৰ পিছত বীৰ টিকেন্দ্ৰজিত আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত ছহিদৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাৰ উপৰি কেইবাগৰাকীও সাংসদ, বিধায়ক আৰু সুৰক্ষা বাহিনীৰ বিষয়াই ছহিদ জোৱানগৰাকীক শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ পাছতে তেওঁৰ নশ্বৰ দেহ থৌবাল জিলাৰ জোৱানগৰাকীৰ গাঁও য়েইৰিপ'ক য়ামবাৰলৈ লৈ গৈ সামৰিক মৰ্যদাৰে শেষ কৃত্য সম্পন্ন কৰা হয়। মণিপুৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এন বিৰেন সিঙে ছহিদৰ পৰিয়ালক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰিছে। ৰাজ্যখনৰ চৰকাৰে ছহিদ জোৱানজনৰ পৰিয়াললৈ ১০ লাখ টকাৰ এককালীন সাহায্যও ঘোষণা কৰিছে।

উল্লেখযোগ্য যে, যোৱা শনিবাৰে পাকিস্তানী সেনাৰ অপ্ৰৰোচিত গুলী বৰ্ষণত মণিপুৰৰ এই জোৱানজনৰ লগতে সীমান্ত সুৰক্ষা বাহিনীৰ ৮ জন জোৱান গুলীবিদ্ধ হৈছিল। দেওবাৰে চিকিৎসাধীন অৱস্থাত মণিপুৰৰ এই জোৱানজনে শেষ নিশ্বাস ত্যাগ কৰে। দীপক চিমনগাখাম সীমান্ত সুৰক্ষা বাহিনীৰ ৭ নম্বৰ বেটেলিয়নত কনিষ্টবল হিচাপে কৰ্মৰত আছিল। উল্লেখযোগ্য যে ভাৰত-পাকিস্তানৰ এই সংঘৰ্ষত সেনা বাহিনীৰ ৫ জোৱান ছহিদ হৈছে।

০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ যোৱা ৯ মে'ৰ পৰা বাতৰি বুলেটিনৰ সংশোধিত সময়সূচী আজি পুৱাৰ পৰা পুনৰ স্বাভাৱিক কৰা হৈছে। পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ভাৰতে চলোৱা **অপাৰেচন সিন্দূৰ** আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত উদ্ভৱ হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আকাশবাণীয়ে ইয়াৰ প্ৰতিঘণ্টাই প্ৰচাৰিত হিন্দী আৰু ইংৰাজী বাতৰিৰ সময়সূচী ৫ মিনিটৰ পৰা ১০ মিনিটলৈ বৃদ্ধি কৰিছিল। সেই অনুসৰি আকাশবাণী গুৱাহাটীৰ পৰা প্ৰচাৰিত আঞ্চলিক বাতৰিৰ সময়সূচীৰো সালসলনি ঘটোৱা হৈছিল। আজিৰ পৰা পুৱাৰ আঞ্চলিক বাতৰি, নিশাৰ আঞ্চলিক বাতৰি আৰু দিনৰ ১১ বজা, বিয়লি ৩ বজা আৰু নিশা ৮ বজাৰ মুখ্য বাতৰি নিয়মীয়া সময় অনুসৰি প্ৰচাৰিত হ'ব।

০০০০০০

পঞ্চায়ত নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰজোঁটে আশা কৰাতকৈ ভাল ফলাফল লাভ কৰিছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াসহ বশিষ্ঠ চাৰিআলিৰ অটল বিহাৰী বাজপেয়ী ভৱনত এখন সংবাদমেলত ভাগ লৈ মুখ্যমন্ত্ৰীয়ে ২০১৮ চনৰ তুলনাত বিজেপিৰ পক্ষত এইবাৰ ভোটদানৰ হাৰ ২৬ শতাংশতকৈও অধিক বৃদ্ধি পোৱা বুলি উল্লেখ কৰে। জিলা আয়ুক্তসকলে প্ৰকাশ কৰা তথ্য অনুসৰি এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত বিজেপি আৰু মিত্ৰদলসমূহে জিলা পৰিষদৰ মুঠ ৩৯৭ খন আসনৰ ৩০০ খনত জয়লাভ কৰাৰ

লগতে আঞ্চলিক পঞ্চায়তৰ দুহেজাৰ ১৯২ খন আসনৰ এহেজাৰ ৪৩৬ খনত জয়লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ এই আস্থা আৰু বিশ্বাস ২০২৬ চনৰ নিৰ্বাচনতো প্ৰতিফলিত হ'ব বুলি আশা প্ৰকাশ কৰে। বিজেপিয়ে এইবাৰ সংখ্যালঘু অঞ্চলতো যথেষ্ট সংখ্যক আসন লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি কয়, যে সংখ্যালঘু সম্প্ৰদায়ৰ মহিলাসকলে ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ সৰলীকৰণ নীতিক বুজি পাইছে আৰু সেয়েহে তেওঁলোকৰ সমৰ্থনো বৃদ্ধি পাইছে। ডং শৰ্মাই এই নিৰ্বাচনত বিজয়ী হোৱা আৰু পৰাজিত হোৱা সকলোকে লৈ গুৱাহাটীত এখন পঞ্চায়ত সন্মিলন আয়োজন কৰাৰ কথাও প্ৰকাশ কৰে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ লগত সংগতি ৰাখি জিলাসমূহৰ উন্নয়নৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ অংশ হিচাপে যোৰহাট জিলাক লৈ ৰাজ্য চৰকাৰৰ পৰিকল্পনা সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত  মুখ্যমন্ত্ৰীয়ে এইদৰে কয়।

বাইট

পঞ্চায়ত নিৰ্বাচনৰ ফলাফল সন্দৰ্ভত এ আই ইউ ডি এফে  হাটশিঙিমাৰীত কালি এখন সংবাদমেলৰ আয়োজন কৰে। দলটোৰ কেন্দ্ৰীয় উপ-সভাপতি তথা মানকাচৰৰ বিধায়ক আমিনুল ইছলামে মানকাচৰকে ধৰি ধুবুৰী লোকসভা সমষ্টিত এ আই ইউ ডি এফে লাভ কৰা আসনৰ সংখ্যা কম যদিও পূৰ্বৰ তুলনাত ভোটৰ সংখ্যা বৃদ্ধি পাইছে বুলি দাবী কৰে।

০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ, চিবিএছইৰ অধীনৰ দশম শ্ৰেণীৰ ফলাফল ঘোষণা কৰাৰ পাছত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ নামভৰ্তিৰ বাবে আজিৰ পৰা দৰ্পন অনলাইন নামভৰ্তি পোৰ্টেল মুকলি কৰিছে। সেই অনুসৰি ছাত্ৰ-ছাত্ৰীসকলে আজিৰে পৰা ২০ মে' পৰ্যন্ত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে আবেদন কৰিব  পাৰিব। সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহে ২৩ মে'ৰ ভিতৰত নামভৰ্তিৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব। নামভৰ্তি সম্পৰ্কীয় তথ্যৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে বিভাগীয় ৱেবছাইট www.ahsec.assam.gov.in বা darpan.ahsec online.in ত  চাব পাৰিব। পৰিষদে লগতে কোনো পৰিস্থিতিতে নামভৰ্তিৰ বাবে অফলাইন আবেদন গ্ৰাহ্য কৰা নহব বুলি স্পষ্ট কৰি দিছে।

০০০০০০

ডিমা হাচাও জিলা প্ৰশাসনে যোৱা ২৯ এপ্ৰিলত হোৱা সংঘৰ্ষৰ ফলত এন এছ চি এন আই এমৰ তিনিজন সদস্যৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। কালি এখন চৰকাৰী জাননী যোগে এই কথা প্ৰকাশ কৰা হয়। এই তদন্তৰ দায়িত্ব অতিৰিক্ত জিলা দণ্ডাধীশ সংগীতা দেৱীক অৰ্পন কৰা হৈছে। উল্লেখযোগ্য যে, ভাৰতীয় ন্যায় সংহিতা আৰু অস্ত্ৰ-শস্ত্ৰ আইনৰ অধীনত হাফলং থানাত ৰুজু হোৱা গোচৰৰ অধীনত ডিমা হাচাও জিলাৰ আয়ুক্তই এই তদন্তৰ নিৰ্দেশ জাৰি কৰিছে। জাননীখনত উল্লেখ কৰা মতে এই তদন্তকালত তিনিওজন সদস্যৰ মৃত্যু আৰু সংঘৰ্ষ সম্পৰ্কীয় বিতং তথ্য-প্ৰমাণ সংগ্ৰহ কৰাৰ লগতে সংশ্লিষ্টসকলৰ স্বীকাৰোক্তি বাণীবদ্ধ কৰা হ'ব। জিলা প্ৰশাসনে যিকোনো ইচ্ছুক ব্যক্তি, সংস্থা নাইবা ৰাজহুৱা প্ৰতিষ্ঠানক এই সন্দৰ্ভত মৌখিক নাইবা লিখিত তথ্য-প্ৰমাণ দিব বিচাৰিলে অতিৰিক্ত জিলা দণ্ডাধীশৰ ওচৰত আজিৰে পৰা অহা ২১ মে' পৰ্যন্ত হাজিৰ হ'বলৈ আহ্বান জনাইছে। দিনৰ ১১ বজাৰ পৰা বিয়লি ৩ বজালৈ এই তথ্য-প্ৰমাণ দিয়াৰ সুবিধা আগবঢ়োৱা হৈছে।

০০০০০০

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা, এন আই এই মণিপুৰৰ নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠনৰ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। বিগত বৰ্ষৰ নৱেম্বৰত মণিপুৰৰ জিৰিবাম জিলাত এগৰাকী মহিলাক নৃশংসভাৱে হত্যা কৰা আৰু বহুকেইটা ঘৰ লুটপাত কৰি জ্বলাই দিয়া কাৰ্যৰ সৈতে জড়িত থকাৰ অভিযোগত লোক দুজনক গ্ৰেপ্তাৰ কৰা হয়। এন আই এই এটা বিবৃতিত প্ৰকাশ কৰা অনুযায়ী বিষ্ণুপুৰ জিলাৰ আবাসী, অভিযুক্ত নংথোমবাম মেইৰাবা হৈছে উগ্ৰপন্থী সংগঠন-ইউনাইটেড নেচনেল লিবাৰেচন ফ্ৰণ্টৰ

সদস্য আৰু তেওঁ মূলতঃ মহিলাগৰাকীক হত্যা কৰাৰ সৈতে জড়িত আছিল। আন এগৰাকী অভিযুক্ত থৌবাল জিলাৰ ছাগলছেম ছানাতোম্বা হৈছে মণিপুৰৰ আন এটা উগ্ৰপন্থী সংগঠন - কে ৱাই কে এলৰ সদস্য। দুয়োজন উগ্ৰপন্থী গোটৰ সদস্যক ১৭ মে'লৈ এন আই এৰ জিম্মাত ৰখা হ'ব।

000000

অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ৰাজ্যৰ ২৩ খন চাহ বাগিচাৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিছে। উল্লেখযোগ্য যে পূৰ্বতে চাহ বাগিচা অঞ্চলসমূহত দশম শ্ৰেণী পৰ্যন্তহে অধ্যয়নৰ ব্যৱস্থা আছিল যদিও ৰাজ্য চৰকাৰে চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে এই হাইস্কুলসমূহক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰে। চলিত শিক্ষাবৰ্ষৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়সমূহৰ কলা শাখাত নামভৰ্তি কৰিব পাৰিব বুলি শিক্ষা বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

000000

সম্ভাব্য বানৰ সময়ছোৱাৰ বাবে ল'বলগীয়া আগতীয়া প্ৰস্তুতি সন্দৰ্ভত আলোচনাৰ বাবে কালি ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ এখন সভা অনুষ্ঠিত হয়। এই সভাত প্ৰাধীকৰণৰ ফালৰ পৰা চলাই থকা প্ৰস্তুতি সন্দৰ্ভত সচিত্ৰ উপস্থাপন কৰা হয়। এই সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগক বান ক্ষতিগ্ৰস্তক সহায়ৰ বাবে স্থাপন কৰা আশ্ৰয় শিবিৰসমূহত যাৱতীয় ব্যৱস্থা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হয়। একেদৰে শিক্ষা বিভাগক সম্ভাব্য বানৰ কবলত পৰিব পৰা বিদ্যালয়সমূহ পৰিদৰ্শন কৰি এনে বিদ্যালয়ৰ সঠিক তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। এই সভাত জলসম্পদ, পশুপালন, সমাজকল্যাণকে ধৰি বিভিন্ন বিভাগৰ প্ৰতিনিধিসকলক বানৰ বাবে সাজু হ'বলৈ পৰামৰ্শ দিয়া হয়।

000000

১৯ বছৰ অনুৰ্ধৰ ছাফ ফুটবল চেম্পিয়নশ্বিপত ভাৰতে গ্ৰুপ বিৰ শীৰ্ষস্থান দখল কৰিছে। প্ৰতিযোগিতাত ভাৰতে কালি অৰুণাচল প্ৰদেশৰ যুপিয়াত অনুষ্ঠিত এখন খেলত নেপালক ৪-০ গ'লত পৰাস্ত কৰে। ভাৰতৰ হৈ ৰোহেন সিং ছাপামায়ুমে দুটা আৰু ওমাং ড'ডুম তথা ডেনী মেইটেয়ে এটাকৈ গ'ল কৰে । এই জয়ৰ সুবাদত ভাৰতে নিজৰ দুখন খেলৰ পৰা ৬ পইণ্ট আৰু ১২ গ'লৰ ব্যৱধানৰ জৰিয়তে গ্ৰুপ পৰ্যায়ৰ খেল সামৰিছে। ছেমি ফাইনেলত অহা শুকুৰবাৰে দলটোৱে গ্ৰুপ এৰ ৰাণাৰ্ছ আপ মালদ্বীপৰ বিৰুদ্ধে আৰু নেপালে গ্ৰুপ এৰ শীৰ্ষস্থানপ্ৰাপ্ত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

000000

## NEWS PAPER REV.

সেনা বাহিনীক সাক্ষি কৰি প্ৰধীনমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পাকিস্তানক সকীয়নি, ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনত এন ডি এৰ চমকপ্ৰদ সফলতা, চি বি এছ্ ই'ৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ ফলাফল ঘোষণা নতুন ৰূপত দশম শ্ৰেণীৰ পৰীক্ষা পতাৰ খচৰা প্ৰকাশ, জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা আৰু ঠিকাদাৰৰ বিৰুদ্ধে মন্ত্ৰী পীযুষ হাজৰিকাৰ কঠোৰ স্থিতিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ খবৰে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

ইয়াৰে সেনাক ভূষসী প্ৰশংসা কৰি পাকিস্তানক প্ৰধানমন্ত্ৰী মোদীৰ সকিয়নিৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **পাকিস্তানত অভিযানৰ পিছতে আদমপুৰ বায়ুসেনা ঘাটিত প্ৰধানমন্ত্ৰী মোদী ঃ সশস্ত্ৰ বাহিনীয়ে জাতিৰ বাবে আগবঢ়োৱা**

**অৱদানক লৈ কৃতজ্ঞ থাকিব দেশ,** নিয়মীয়া বাৰ্তা কাকতে **জলন্ধৰৰ আদমপুৰ বায়ুসেৱা ঘাটিত জোৱানক সম্বোধন মোদীৰ, বিনাশ নহয়, মহাবিনাশ হ'ব ঃ সন্ত্ৰাসবাদক জুইৰে প্ৰত্যুত্তৰ দিম** আৰু দ্যা আছাম ট্ৰিবিউন কাকতে **PM lauds military for humbling Pakistan** শিৰোনামেৰে প্ৰকাশ কৰিছে। বাতৰিটো আন কেইখন কাকতেও ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

সদ্য ঘোষিত পঞ্চায়ত নিৰ্বাচনত এন ডি এৰ বৃহৎ ব্যৱধানৰ জয়ৰ বাতৰিক দৈনিক অসম কাকতে **জিলা পৰিষদত ৩০০, আঞ্চলিক পঞ্চায়ত এহেজাৰ ৪৩৬ আসনত জয়লাভ, বিজেপি মিত্ৰজোঁটে চমকপ্ৰদ বিজয়েৰে ইতিহাস ৰচিছে বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য**, দৈনিক জনমভূমি কাকতে **মুখ্যমন্ত্ৰী ড০ শৰ্মাই দিলে ধৰ্মীয় সংখ্যালঘু প্ৰধান সমষ্টিৰ পঞ্চায়ত নিৰ্বানত বিজপেিৰ সাফল্যৰ তথ্য, বৰপেটা বৰক্ষেত্ৰীৰ চৰত অভাৱনীয় দৃশ্যপট, ১০০ শতাংশ মুছলমানৰ সমষ্টিতো ফুলিল পদুম**, দ্যা ছেণ্টিনেল কাকতে **Panchayat poll results PM, Shah hail NDA victory in Assam** শিৰোনাম দিছে।

কালি ঘোষিত চি বি এছ ইৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ ফলাফলৰ একোটা বাতৰি দা টাইমছ অব ইণ্ডিয়াকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ফলাফলৰ উদ্ধৃতিৰে আমাৰ অসম কাকতে চি বি এছ ইয়ে ২০২৬-২৭ শিক্ষা বৰ্ষৰ পৰা চি বি এছ ইৰ দশম শ্ৰেণীৰ পৰীক্ষা নতুন ৰূপত পাতিবলৈ খচৰা প্ৰকাশ কৰাৰ বাতৰি এটা প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতে ছিপাঝাৰত মথাউৰি নিৰ্মাণ কাৰ্যত অনিয়ম প্ৰত্যক্ষ কৰি ক্ষুণ্ণ, অশুভ মিতিৰালীৰ অভিযোগ, কাৰ্যবাহী অভিযন্তাক নিলম্বনৰ নিৰ্দেশ, ঠিকাদাৰক গ্ৰেপ্তাৰৰ ভাবুকি মন্ত্ৰী পীযুষৰ শীৰ্ষক এটা এংকৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয় আৰু মিজোৰামৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত